**32T MASS**

# 2022

## ASSAMESE

(MODERN INDIAN LANGUAGE)

**(NEW COURSE)**

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

*The figures in the margin indicate full marks for the questions.*

| | |
|---|---|
| Q. No. 1 carries 1 mark each | 1×7 = 7 |
| Q. No. 2 carries 2 marks each | 2×7 = 14 |
| Q. No. 3 carries 4 marks each | 4×1 = 4 |
| Q. No. 4 carries 5 marks each | 5×2 = 10 |
| Q. No. 5 carries 1 mark each | 1×5 = 5 |
| Q. No. 6 carries 2 marks each | 2×5 = 10 |
| Q. No. 7 carries 4 marks each | 4×1 = 4 |
| Q. No. 8 carries 3 marks each | 3×2 = 6 |
| Q. No. 9 carries 1 mark each | 1×2 = 2 |
| Q. No. 10 carries 2 marks each | 2×2 = 4 |
| Q. No. 11 carries 4 marks each | 4×1 = 4 |
| Q. No. 12 carries 3 marks each | 3×2 = 6 |
| Q. No. 13 carries 1 mark each | 1×6 = 6 |
| Q. No. 14 carries 2 marks each | 2×4 = 8 |
| Q. No. 15 carries 10 marks each | 10×1 = 10 |
| | Total =100 |

*Contd.*

১। তলৰ *যিকোনো সাতোটা* প্ৰশ্নৰ কেৱল উত্তৰ লিখাঁ ঃ ১×৭=৭

(ক) ‘মাজিউ’ বুলি লক্ষ্মীনাথ বেজবৰুৱাই কাক সম্বোধন কৰিছিল?

(খ) সাহিত্য অকাদেমি বঁটা বিজয়ী প্ৰথমগৰাকী অসমীয়া সাহিত্যিক কোন?

(গ) ‘প্ৰাগজ্যোতিষপুৰ সম্ভৱম্’ বুলি কৈ কোনে বিশেষ গৌৰৱ অনুভৱ কৰিছিল?

(ঘ) ‘হস্তি-বিদ্যাৰ্ণৱ-সাৰ-সংগ্ৰহ’ পুথিখন কোনে ৰচনা কৰিছিল?

(ঙ) তীৰ্থনাথ শৰ্মাই ৰচনা কৰা কাব্যগ্ৰন্থখনৰ নাম কি?

(চ) ‘চিঠি’ চুটিগল্পটি শীলভদ্ৰৰ কোনখন সংকলনৰপৰা লোৱা হৈছে?

(ছ) ব্যৱসায়িক দিশত সফল হোৱা জ্যোতিপ্ৰসাদ আগৰৱালাৰ কথাছবিখনৰ নাম লিখাঁ।

(জ) ব্ৰজেন বৰুৱা পৰিচালিত আৱেগমিশ্ৰিত থ্ৰিলাৰধৰ্মী প্ৰথম অসমীয়া ছবিখনৰ নাম লিখাঁ।

(ঝ) বসন্ত ৰোগ হোৱাৰ বিজ্ঞানসন্মত কাৰণ কি?

(ঞ) ‘উপকল্প’ শব্দৰ অৰ্থ লিখাঁ।

২। তলৰ *যিকোনো সাতোটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ২×৭=১৪

(ক) লক্ষ্মীনাথ বেজবৰুৱাই লিখা দুখন হাস্য-ব্যংগ ৰচনাৰ নাম লিখাঁ।

(খ) ‘ফৰিয়াদ’ আৰু ‘সঁচাৰকাঠী’ শব্দৰ অৰ্থ লিখাঁ।

(গ) কথা-কবিতাৰ দুটা বৈশিষ্ট্য লিখাঁ।

(ঘ) ‘তোমাৰে আনন্দ বৰুৱাই...’ কবিতাৰ শাৰীটো কোনজন কবিৰ কোনটো কবিতাৰ পৰা তুলি অনা হৈছে?

(ঙ) আনন্দৰাম বৰুৱাৰ মতে কৰ্মৰ স্বৰূপ কি?

(চ) ‘হস্তিবিদ্যাৰ্ণৱ পুথি’ শীৰ্ষক প্ৰবন্ধটো কোন চনত কোনখন আলোচনীত প্ৰকাশ পাইছিল?



(ছ) প্ৰকৃত ত্যাগ মানে কি বুজা?

(জ) বৰ্তমান সময়ত চিঠিৰ প্ৰাসংগিকতা কিয় কমি গৈছে?

(ঝ) ‘এবা বাটৰ সুৰ’ ছবিখনত কণ্ঠদান কৰা ভাৰতৰ দুগৰাকী সংগীত প্ৰতিভাধৰৰ নাম লিখাঁ।

(ঞ) বিজ্ঞানীৰ কাম কি?

৩। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ ঃ *(যিকোনো এছোৱা)* ৪×১=৪

(ক) “কি হ’ল, একো কথা নাই— ইয়াৰ কাৰণে অশেষ ধন্যবাদ— ইও যে এটা দান।”

(খ) “ভাৰতীয় সংস্কৃতিৰ মূলাধাৰ বেদ।”

(গ) “আমাৰ বিশ্ব ব্ৰহ্মাণ্ডখনৰ ৰহস্য উদ্‌ঘাটনৰ ব্যৱস্থাটোৱেই হ’ল বিজ্ঞান।”

৪। *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ৫×২=১০

(ক) ডিবুৰুগড়ৰ থিয়েটাৰ অৰ্থাৎ ৰংগশালাৰ বিষয়ে লক্ষ্মীনাথ বেজবৰুৱাই কোৱা কথাখিনি পাঠৰ আধাৰত লিখাঁ।

(খ) গুৰুৱে শিক্ষাৰ্থীক অধ্যয়ন সমাপ্ত হোৱাৰ পিছত কি কি উপদেশ দিছিল তোমাৰ ভাষাৰে লিখাঁ।

(গ) অসমীয়া চলচ্চিত্ৰ জগতলৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান সম্পৰ্কে পাঠৰ আধাৰত লিখাঁ।

(ঘ) বৈজ্ঞানিক মানসিকতাই সমাজৰ প্ৰগতিত কেনেদৰে অৰিহণা যোগায়?

৫। তলৰ *যিকোনো পাঁচোটা* প্ৰশ্নৰ কেৱল উত্তৰ লিখাঁ ঃ ১×৫=৫

(ক) ‘উঠৰে উঠ বাপু গোপাল হে’ বৰগীতটি কি ৰাগত বন্ধা?

(খ) ‘তেজ’ শব্দৰ অৰ্থ লিখাঁ।



Contd.

(গ) অসমীয়া ভাষাত ছুফী সাধকসকলৰ ভাবধাৰা প্ৰথম কোনগৰাকী কবিৰ কবিতাত প্ৰকাশ পাইছিল?

(ঘ) 'জাগৃতি' কাব্যগ্ৰন্থৰ ৰচয়িতা কোন?

(ঙ) পূজাৰ ১৬ বিধ উপকৰণক এটা শব্দত কি বুলি কোৱা হয়?

(চ) 'বিশ্ব শিল্পী মহাবিশ্বৰ'— কবিয়ে কাক 'বিশ্ব শিল্পী' বুলি অভিহিত কৰিছে?

(ছ) 'পছোৱা' আলোচনী কোনগৰাকী সাহিত্যিকে সম্পাদনা কৰিছিল?

(জ) 'কৰুণতম' কবিতাটিৰ আধাৰ লোকজীৱন— কথাষাৰ শুদ্ধনে?

৬। তলৰ *যিকোনো পাঁচোটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ২×৫=১০

(ক) বৰগীতৰ বিষয়বস্তুক কেইটা ভাগত ভগাব পাৰি? ভাগসমূহ লিখাঁ।

(খ) সত্ত্ব আৰু ৰজঃ গুণ কি?

(গ) নলিনীবালা দেৱীয়ে উষাৰ আগমনৰ বৰ্ণনা কেনেদৰে দিছে?

(ঘ) 'জনতাৰ আহ্বান' কবিতাটিত কবিয়ে কাৰ জয়ৰ কথা ঘোষণা কৰিছে?

(ঙ) কাঠমিস্ত্ৰীয়ে ৰাঙাৰ হেঁচাৰে কি কি গছৰ কাঠক মনোহৰ ৰূপ দিয়ে?

(চ) অৰ্থ লিখাঁ ঃ 'মোক তোল আঘোণ', 'তেউ হালধীয়া'।

(ছ) 'উভতি নহাৱ কবিতা' ৰোমাণ্টিক নে আধুনিক কবিতা আৰু কবিতাটি কোনখন কাব্য সংকলনৰ অন্তৰ্ভুক্ত?

(জ) 'কৰুণতম' কবিতাটিৰ জৰিয়তে দেউতাক আৰু মাকৰ স্মৃতি কেনেকৈ জাগ্ৰত হয় বুলি কবিয়ে উল্লেখ কৰিছে?



৭। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ ঃ *(যিকোনো এফাঁকি)* ৪×১=৪

(ক) "সিদ্ধ মুনিগণে চিন্তিয়া নপাৱে
সো হৰি যশোৱা কোলে।
ত্ৰিজগত পতি ভকতি মিলিল
মূৰুখ মাধৱে বোলে।।"

(খ) "আঘোণৰ বাটটোহে কুঁৱলীৰে ঢকা,
মন-হাঁহ খেদি খেদি বন শেষ হ'ল
আঘোণৰ কুঁৱলীয়ে বাট ভেটি ল'লে।"

(গ) "মই মোক
মোৰ সন্তানৰ কাৰণে
ক'ত থৈ যাম
ক'ত??"

৮। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ৩×২=৬

(ক) ড° বাণীকান্ত কাকতি, কালিৰাম মেধি আৰু দেৱেন্দ্ৰনাথ বেজবৰুৱাই বৰগীতসমূহক কি বুলি কৈছে লিখাঁ।

(খ) নলিনীবালা দেৱীয়ে কোনখন পুথিৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল? তেখেতৰ আধ্যাত্মিক ভাবৰ ব্যঞ্জনা প্ৰতিধ্বনিত হোৱা দুখন কাব্যগ্ৰন্থৰ নাম লিখাঁ।

(গ) কুৰি শতিকাৰ চল্লিছৰ দশকত বিশেষ ভূমিকা পালন কৰা তিনিখন আলোচনীৰ নাম লিখাঁ।

(ঘ) কবিৰ মতে পৃথিৱীলৈ 'নতুন মানুহ' আহিলে কি কি পৰিৱৰ্তন হ'ব?

৯। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ কেৱল উত্তৰ লিখাঁ ঃ ১×২=২

(ক) মহৰ্ষি টলষ্টয়ৰ মতে সৌন্দৰ্যবোধ কি?

(খ) মূল্যবোধৰ 'ত্ৰিনীতি' কি?

(গ) জীৱনৰ নৱজাগৰণৰ সময় বুলি কোনছোৱা কালক কোৱা হয়?

(ঘ) কৈশোৰ কালৰ বাবে প্ৰচলিত শিক্ষাক কি শিক্ষা বুলি কোৱা হয়?

১০। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ২×২=৪

(ক) ভাৰতীয় দৰ্শনে মূল্যবোধক কি চাৰিটা শ্ৰেণীত ভাগ কৰিছে?

(খ) নৈতিক স্বতন্ত্ৰতা বুলিলে কি বুজা?

(গ) মানসিক শক্তি মানে কি?

(ঘ) কিশোৰ সংস্কৃতি কাক বোলে?

১১। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখিবাঁ ঃ ৪×১=৪

(ক) নন্দনতাত্ত্বিক মূল্যবোধ সম্পৰ্কে চমুকৈ লিখাঁ।

(খ) 'কিশোৰ-কিশোৰীৰ মনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল পৰিচিতিৰ সংঘাত।' — ব্যাখ্যা কৰাঁ।

১২। চমুকৈ লিখাঁ ঃ *(যিকোনো দুটা)* ৩×২=৬

(ক) বিভক্তি কাক বোলে? অসমীয়া ভাষাত বিভক্তি প্ৰধানতঃ কেই প্ৰকাৰৰ?

(খ) তদ্ধিত প্ৰত্যয় কাক বোলে? দুটা উদাহৰণ দিয়া।

(গ) জতুৱা ঠাঁচ বুলিলে কি বুজা? জতুৱা ঠাঁচৰ দুই ধৰণৰ প্ৰয়োগ কি কি?

১৩। তলৰ *যিকোনো ছটা* শব্দত যোগ হোৱা প্ৰত্যয়বোৰ ভাঙি কি প্ৰত্যয় যোগ হৈছে লিখাঁ ঃ ১×৬=৬

খেতিয়ক, নদীয়াল, মগনিয়াৰ, খাৱন, দীৰ্ঘতম, বিহুৱা, যুঁজাৰু, বেগাই, কপছুৱা।



১৪। তলত দিয়া জতুৱা-ঠাঁচবোৰৰ অৰ্থ লিখি একোটাকৈ বাক্য-ৰচনা কৰাঁ ঃ *(যিকোনো চাৰিটা)* ২×৪=৮

আঁঠুৱা তলৰ মহ, একাদশত বৃহস্পতি, গোৰ মাৰি গংগাত পেলোৱা, চকু চৰহা, নপতা ফুকন, পানীৰ তলৰ কাঁইট, লেক্‌লৌ পৰুৱা, সাত বিহুৰ সৈয়া কণী, হাত দীঘল।

১৫। তলত *যিকোনো এটি* বিষয় বাছি লৈ এখন ৰচনা লিখাঁ ঃ ১০

(ক) **ক'ভিদকালীন সময়ৰ ইতিবাচক আৰু নেতিবাচক দিশ**

(আৰম্ভণি — ক'ভিদ-১৯ মানে কি? — বিশ্ব জুৰি ইয়াৰ ভয়াবহতা — ল'বলগীয়া সাৱধানতা — ইতিবাচক দিশ — নেতিবাচক দিশ — সামৰণি।)

(খ) **অসমৰ ক্ষুদ্ৰ উদ্যোগ ঃ সম্প্ৰসাৰণ আৰু বাণিজ্যিকীকৰণ**

(আৰম্ভণি — ক্ষুদ্ৰ উদ্যোগ আৰু ইয়াৰ শ্ৰেণী বিভাগ — ক্ষুদ্ৰ উদ্যোগৰ সম্প্ৰসাৰণ — বাণিজ্যিকীকৰণ — অসমত ক্ষুদ্ৰ উদ্যোগৰ ক্ষেত্ৰত দেখা পোৱা সমস্যা — আৰ্থিক সবলীকৰণৰ ক্ষেত্ৰত ক্ষুদ্ৰ উদ্যোগৰ ভূমিকা — সামৰণি।)

(গ) **জ্ঞানপীঠ অথবা সাহিত্য অকাদেমি বঁটা বিজয়ী এগৰাকী অসমীয়া সাহিত্যিক**

(আৰম্ভণি — সাহিত্যিকগৰাকীৰ পৰিচয় — সাহিত্যকৃতি — সাহিত্যিকগৰাকীৰ বঁটাপ্ৰাপ্ত গ্ৰন্থ / সাহিত্যৰাজিৰ সামগ্ৰিক বিশ্লেষণ — সামৰণি।)

(ঘ) **সামাজিক মাধ্যম আৰু বৰ্তমান সময়ত ইয়াৰ প্ৰভাৱ**

(সামাজিক মাধ্যম কি? — সামাজিক মাধ্যমৰ বিভিন্ন প্ৰকাৰ — অপকাৰিতা আৰু উপকাৰিতা — মানসিক আৰু শাৰীৰিক প্ৰতিক্ৰিয়া — সামৰণি।)

—— × ——